# তিতাবৰ অঞ্চলৰ
# চাহ জনগোষ্ঠীয় লোকসকলৰ উৎসৱ পাৰ্বণ
## (তিতাবৰ বিধান সভা সমষ্টিৰ বিশেষ উল্লিখন সহ)

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক তৃতীয় বৰ্ষৰ ষষ্ঠ ষাণ্মাসিকৰ
অসমীয়া DSE-2(H) কাকতৰ বাবে প্ৰস্তুত কৰা ক্ষুদ্ৰ গৱেষণা প্ৰকল্প


তত্বাৱধায়ক
ড° গৌতম বৰা
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ

প্ৰস্তুতকৰ্তা
শ্ৰীমতী অনতি মাঝি
স্নাতক তৃতীয় বৰ্ষৰ
ষষ্ঠ ষাণ্মাসিক
অসমীয়া বিভাগ
ৰোল নং ঃ ৩০৮১০০৬৪
বিশ্ববিদ্যালয় পঞ্জীয়ন নং ঃ S192537



নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ
ইং ২০২২ বৰ্ষ

# অসমীয়া বিভাগ
## নন্দনাথ শইকীয়া মহাবিদ্যালয়
তিতাবৰ, জিলা-যোৰহাট, অসম, পিন-৭৮৫৬৩০

প্ৰসঙ্গ নংঃ-

তাৰিখঃ- ০৭-০৭-২০২২

# প্ৰমাণ পত্ৰ

শ্ৰীমতী অনতি মাঝি স্নাতক কলা শাখাৰ ষষ্ঠ যাণ্মাসিকৰ (বিশ্ববিদ্যালয়ৰ ৰোল নংঃ **৩০৮১০০৬৪**) ছাত্ৰী। তেওঁ ড° গৌতম বৰাৰ তত্বাৱধানত DSE-2(H) পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ বাবে **'তিতাবৰ অঞ্চলৰ চাহ জনগোষ্ঠীয় লোকসকলৰ উৎসৱ পাৰ্বণ (তিতাবৰ বিধান সভা সমষ্টিৰ বিশেষ উল্লিখন সহ)'** বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে।

গৱেষণা প্ৰকল্প কাৰ্যত তেওঁৰ উজ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

বিভাগীয় প্ৰধান
অসমীয়া বিভাগ
নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ

# অসমীয়া বিভাগ
## নন্দনাথ শইকীয়া মহাবিদ্যালয়
তিতাবৰ, জিলা-যোৰহাট, অসম, পিন-৭৮৫৬৩০

প্ৰসঙ্গ নংঃ- তাৰিখঃ- ০৭-০৭-২০২২

## প্ৰমাণ পত্ৰ

শ্ৰীমতী অনতি মাঝি স্নাতক কলা শাখাৰ ষষ্ঠ ষাণ্মাসিকৰ (বিশ্ববিদ্যালয়ৰ ৰোল নংঃ **৩০৮১০০৬৪**) ছাত্ৰী। তেওঁ মোৰ তত্বাৱধানত DSE-2(H) পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ বাবে **'তিতাবৰ অঞ্চলৰ চাহ জনগোষ্ঠীয় লোকসকলৰ উৎসৱ পাৰ্বণ (তিতাবৰ বিধান সভা সমষ্টিৰ বিশেষ উল্লিখন সহ)'** বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে।
তেওঁ সম্পূৰ্ণ নিজা অধ্যয়নৰ জৰিয়তে এই প্ৰতিবেদন দাখিল কৰিছে।

গৱেষণা প্ৰকল্প কাৰ্যত তেওঁৰ উজ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

(ড° গৌতম বৰা)
সহকাৰী অধ্যপক
তত্বাৱধায়ক
অসমীয়া বিভাগ
নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ

## সূচীপত্ৰ


**কৃতজ্ঞতা স্বীকাৰ** ক

**অৱতৰণিকা** খ-ঘ

**প্ৰথম অধ্যায় ঃ** ১-৪

তিতাবৰৰ চাহ জনগোষ্ঠীয় লোকসকলৰ পৰিচয়

১.০১ ঃ তিতাবৰৰ চাহজনগোষ্ঠীয় লোকসকলৰ অৱস্থিতি

১.০২ ঃ তিতাবৰৰ চাহজনগোষ্ঠীয় লোকসকলৰ জনসংখ্যা আৰু জীৱিকা

**দ্বিতীয় অধ্যায় ঃ** ৫-৬

তিতাবৰৰ চাহজনগোষ্ঠীয় লোকসকলৰ সামাজিক জীৱন

২.০১ ঃ তিতাবৰৰ চাহজনগোষ্ঠীয় লোকসকলৰ শিক্ষা

২.০২ ঃ তিতাবৰৰ চাহজনগোষ্ঠীয় লোকসকলৰ ধৰ্মীয় জীৱন

**তৃতীয় অধ্যায় ঃ**

চাহজনগোষ্ঠীয় লোকসকলৰ সাংস্কৃতিক জীৱন

৩.০১ ঃ চাহজনগোষ্ঠীয় লোকসকলে পালন কৰা উৎসৱ-পাৰ্বণ সমূহৰ পৰিচয়

৩.০২ ঃ তিতাবৰৰ চাহজনগোষ্ঠীয় লোকসকলে উৎসৱ-পাৰ্বণত পৰিধান কৰা সাজপাৰ আৰু আ-অলংকাৰসমূহৰ চমু পৰিচয়।

৩.০৩ ঃ উৎসৱসমূহত ব্যৱহাৰ কৰা বাদ্যযন্ত্ৰসমূহৰ পৰিচয়

**সিদ্ধান্ত**

**সামৰণি**

**পৰিশিষ্ট**

**আলোকচিত্ৰ**

**সংবাদদাতাৰ তালিকা**

**সহায়ক গ্ৰন্থপঞ্জী**

# কৃতজ্ঞতা স্বীকাৰ

জ্ঞান হ'ল - এক অমূল্য সম্পদ। শৈশৱৰ পৰা আমি জ্ঞান লাভ কৰি আহিছো। জ্ঞান লাভৰ পৰিধি বৰ বিশাল। নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ ষষ্ঠ ষাণ্মাসিকৰ প্ৰকল্প পাঠ্যক্ৰমটো এটা গুৰুত্বপূৰ্ণ বিষয়। এই প্ৰকল্পটো ৰূপায়ন কৰাজনক মই বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মোৰ এই গৱেষণা গ্ৰন্থখনি প্ৰস্তুত কৰাৰ ক্ষেত্ৰত তত্ত্বাৱধায়কৰ দায়িত্ব লৈ গৱেষণা বিষয়ৰ প্ৰয়োজনীয় সকলো তথ্যৰ দিহা-পৰামৰ্শ দি মোক সহায় কৰাৰ বাবে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° গৌতম বৰা ছাৰক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। মোৰ বিভিন্ন কামত সহায়-সহযোগিতা আগবঢ়োৱা তিতাবৰ অঞ্চলৰ বিশিষ্ট ব্যক্তিসকলক অলেখ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ লগতে যিসকল বন্ধু-বান্ধৱী, পৰিয়ালবৰ্গই এই গৱেষণা গ্ৰন্থখন প্ৰস্তুত কৰোঁতে সহায় কৰিছে তেওঁলোকক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সৰ্বশেষত মোৰ লেখনিসমূহ ছপা কৰি গ্ৰন্থ আকাৰে উলিয়াই দিয়াৰ ক্ষেত্ৰত সহায় কৰা 'প্ৰিণ্ট্ প্লাজা' প্ৰেছৰ সমূহ কৰ্মচাৰী প্ৰমুখ্যে স্বত্বাধিকাৰীলৈ ধন্যবাদ আৰু কৃতজ্ঞতা নিবেদন কৰিলোঁ।

অনতি মাঝি

তাৰিখ ঃ ২১-০৬-২০২২

# অৱতৰণিকা

**বিষয়ৰ পৰিচয় ঃ**

অসম বাৰে ৰহণীয়া জাতি-জনগোষ্ঠীৰ লীলাভূমি, অসমত বসবাস কৰা বিভিন্ন জনগোষ্ঠীসমূহৰ ভিতৰত অন্যতম জনগোষ্ঠী হ'ল - চাহ জনগোষ্ঠীসকল। এই জনগোষ্ঠী লোকসকলক বৃটিছ ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে চাহ বাগিচাৰ শ্ৰমিক হিচাপে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ পৰা আমদানি কৰি আনে। এওঁলোক মূলতঃ উৰিষ্যা, মধ্যপ্ৰদেশ, উত্তৰপ্ৰদেশ, ঝাৰখণ্ড, তামিলনাডু, পশ্চিমবংগ, বিহাৰ আদি ৰাজ্যৰ পৰা আহে। এই চাহ জনজাতি লোকসকলৰ মাজত বিভিন্ন সম্প্ৰদায়ৰ লোক আছে। যেনে- ওৰাং, মুণ্ডা, চাওঁতাল, কুৰ্মী, তাঁতী, তাচা, গোৱালা, বেদিয়া, কমাৰ, কঁহাৰ, গঞ্জু, মানকি, ভূমিজ, মোদী, লোহাৰ, মাহলি, চবৰ, তেলী ইত্যাদি। এই সম্প্ৰদায়সমূহৰ ভিতৰত কিছুমান সম্প্ৰদায়ৰ নিজা-নিজা লিপি বা দোৱান আছে। এওঁলোকৰ মাজত বহুতো ভাষা প্ৰচলিত হোৱা দেখা যায়। সেই ভাষাসমূহ হ'ল-চাওঁতালী, মুণ্ডাৰী, উৰিয়া, খাৰিয়া, চাদ্ৰী, কুড়মালী ভাষা চাহ-জনগোষ্ঠী লোকসকলৰ মাজত বহুলভাৱে প্ৰচলন হোৱা দেখা যায়।

চাহ জনগোষ্ঠীলোকসকল সাংস্কৃতিকভাৱে চহকী। এওঁলোকে বছৰৰ প্ৰতিটো মাহতে কিবা নহয় কিবা এটা উৎসৱ-পাৰ্বণসমূহ বিভিন্ন ধৰণৰ ৰীতি-নীতি আৰু গীত-নৃত্য পৰিৱেশন কৰি অতি উলহ-মালহেৰে অনুষ্ঠিত কৰে। এই উৎসৱসমূহত চাহ-জনগোষ্ঠীলোকসকলে বিভিন্ন ধৰণৰ সাজপাৰ, আ-অলংকাৰ পৰিধান কৰে। উৎসৱ-পাৰ্বণসমূহত নৃত্য-গীত পৰিৱেশন কৰোঁতে বিভিন্ন ধৰণৰ বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰে। এই সম্পৰ্কে ক্ষেত্ৰভিত্তিক অধ্যয়নৰ যোগেদি মূল কথাত বিশদভাৱে আলোচনা কৰা হ'ব।

**বিষয়ৰ পৰিসৰ ঃ**

চাহ জনগোষ্ঠীলোকসকলে পালন কৰা উৎসৱ-পাৰ্ৱৰ্ণসমূহৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে নিৰ্বাচিত অঞ্চলৰ চাহ-জনগোষ্ঠীসকলৰ পৰিচয়, সামাজিক জীৱন আৰু সাংস্কৃতিক জীৱন পৰিসৰত সামৰি লোৱা হ'ব। আমি এই গৱেষণা গ্ৰন্থখনিত তিতাবৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত চাহ বাগিচাৰ লোকসকলৰ বিষয়ে বিশেষভাৱে উল্লেখ কৰিছোঁ।

**বিষয় অধ্যয়নৰ পদ্ধতি ঃ**

চাহ-জনগোষ্ঠীলোকসকলে পালন কৰা উৎসৱ-পাৰ্ৱণসমূহৰ সম্পৰ্কে অধ্যয়ন কৰিবলৈ যাওঁতে বিশ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা হ'ব।

**পূৰ্বকৃত অধ্যয়নৰ উৎস ঃ**

ড° বুদ্ধীন্দ্ৰনাথ শইকীয়া দেৱৰ সম্পাদিত গ্ৰন্থ 'হীৰক ৰশ্মিত' শ্ৰী জয়ন্ত কুমাৰ শৰ্মা দেৱে 'আৰ্থ সামাজিক বিকাশৰ পটভূমিত তিতাবৰ' প্ৰৱন্ধত তিতাবৰৰ ইতিহাস আৰু সাহিত্য চৰ্চাৰ পৰম্পৰাৰ লগতে তিতাবৰৰ চাহ-জনগোষ্ঠীটোৰ কিছু আভাস দাঙি ধৰিছে।

তিতাবৰৰ চাহ-জনগোষ্ঠীলোকসকলৰ সন্দৰ্ভত পূৰ্বতে অৰ্থাৎ ১৯৭৫ চনৰ ২১, ২২, ২৩ ফেব্ৰুৱাৰীত

তিতাবৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ দ্বি-চত্বাবিংশ অধিৱেশনৰ সুৰেণ বৰদলৈৰ সম্পাদনাত প্ৰকাশিত ‘তিতাবৰৰ স্মৃতি’ গ্ৰন্থখনত ‘চাহ বাগিচাৰ অসমীয়া’ প্ৰৱন্ধটিত শ্ৰী অৰুণ কুমাৰ খেৰীয়া দেৱে ৩৪ পৃষ্ঠাত আৰু ‘অসমৰ চাহ মজদুৰ ঃ বৰ্তমান আৰু ভৱিষ্যত’ প্ৰৱন্ধটিত শ্ৰী দেউৰাম তাচাদেৱে ৯০ পৃষ্ঠাত তিতাবৰৰ চাহ-জনগোষ্ঠীলোকসকলৰ সম্পৰ্কে সম্যক ধাৰণা এটি দিয়ে।

**বিষয় অধ্যয়নৰ উদ্দেশ্য ঃ**

নিৰ্বাচিত অঞ্চলৰ চাহ-জনগোষ্ঠীলোকসকলে কেনেধৰণৰ পৰিৱেশ-পৰিস্থিতিত বসবাস কৰে, সামাজিক জীৱন আৰু সাংস্কৃতিক জীৱনৰ পৰিসৰ কেনেধৰণৰ সেই বিষয়ে অৱগত হোৱাই মূল বিষয়ৰ উদ্দেশ্য।

# প্রথম অধ্যায়

## প্ৰথম অধ্যায়

## তিতাবৰৰ চাহ-জনগোষ্ঠীয় লোকসকলৰ পৰিচয়

### ১.০১ ঃ তিতাবৰৰ চাহ-জনগোষ্ঠীয় লোকসকলৰ অৱস্থিতি ঃ

তিতাবৰ বুলি ক'লে আচলতে এটা বৃহৎ অঞ্চল সামৰে। যোৰহাট জিলাৰ অন্তৰ্ভূক্ত তিতাবৰ নামেৰে এটা মহকুমাৰ ২০০২ বৰ্ষৰ আগষ্ট মাহত ঘোষণা কৰা হৈছিল। অৱশ্যে ইয়াৰ আনুষ্ঠানিকতা ২০০৩ বৰ্ষৰ ২২ ফেব্ৰুৱাৰীত সম্পন্ন কৰা হয়। এই মহকুমাটোৰ সদৰ তিতাবৰ। তিতাবৰ মহকুমাটোৰ চাৰিসীমা হ'ল - ইয়াৰ উত্তৰে যোৰহাট মহকুমা, দক্ষিণে নাগালেণ্ড, পূবে শিৱসাগৰ জিলা আৰু নাগালেণ্ড, পশ্চিমে গোলাঘাট জিলা। সৰ্বমুঠ ৬৩২.৮৯ বৰ্গ কিল'মিটাৰ ভূমিৰে আৱৰা মহকুমাটোত ২০১১ বৰ্ষৰ তথ্য অনুসৰি সৰ্বমুঠ ৰাজহ গাঁৱৰ সংখ্যা ২২৯ খন। ৰাজহ চক্ৰ তথা বিধান সভা সমষ্টি দুটা হ'ল- তিতাবৰ আৰু মৰিয়ণি। ইয়াৰ উপৰিও মহকুমাটোত ৬ টা মৌজাসহ জিলা পৰিষদৰ সংখ্যা সাতটা তথা ৩০ খন গাঁও পঞ্চায়তত ভাগ কৰি ৰাজনৈতিক গাঁথনি নিৰ্ধাৰণ কৰা হৈছে। আইন-শৃংখলা পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবৰ কাৰণে মুখ্য আৰক্ষী থানা তিনিখনৰ উপৰিও উপ-আৰক্ষী থানা আছে ৬ খন। তিতাবৰ অঞ্চলৰ বৃহৎ চাহ বাগিচাৰ সংখ্যা ৪০ খন। সেইকেইখন হ'ল-

১) মাটিচোনা চাহ বাগিচা
২) হোলোংগুৰি চাহ বাগিচা
৩) টিপমীয়া চাহ বাগিচা
৪) লেটেকুজান চাহ বাগিচা
৫) খৰিকটীয়া চাহ বাগিচা
৬) গোৱিন্দপুৰ চাহ বাগিচা
৭) খেৰমিয়া চাহ বাগিচা
৮) চৰাইপানী চাহ বাগিচা
৯) বোকাহোলা চাহ বাগিচা
১০) কুহুম চাহ বাগিচা
১১) ৰজাবাৰী চাহ বাগিচা
১২) শিলিখা চাহ বাগিচা
১৩) ধ'লি চাহ বাগিচা
১৪) মাধপুৰ চাহ বাগিচা
১৫) হাতীপাৰা চাহ বাগিচা
১৬) বছাবাৰী চাহ বাগিচা
১৭) বাঁহনি চাহ বাগিচা
১৮) চুণ্ডী চাহ বাগিচা

১৯) শিঙৰীজান চাহ বাগিচা
২০) নাৰায়ণপুৰ চাহ বাগিচা
২১) গড়াজান চাহ বাগিচা
২২) মেজেঙা চাহ বাগিচা
২৩) দফলাটিং চাহ বাগিচা
২৪) স্বৰ্ণপুৰ চাহ বাগিচা
২৫) টাইৰুণ চাহ বাগিচা
২৬) কাছজান চাহ বাগিচা
২৭) চৈকটা চাহ বাগিচা
২৮) দিহিঙ্গীয়াপাৰা চাহ বাগিচা
২৯) ৰঙাজান চাহ বাগিচা
৩০) কাটনিবাৰী চাহ বাগিচা
৩১) ধপাতবাৰী চাহ বাগিচা
৩২) পুঙাবাৰী চাহ বাগিচা
৩৩) ৰংদৈ চাহ বাগিচা
৩৪) চৈকটা ফেক্টৰী চাহ বাগিচা
৩৫) লক্ষ্মীজান চাহ বাগিচা
৩৬) মহিম চাহ বাগিচা
৩৭) হাতিপটি চাহ বাগিচা
৩৮) চেইদবাৰী চাহ বাগিচা
৩৯) চামুগুৰি চাহ বাগিচা
৪০) কল্পনা চাহ বাগিচা

ইয়াৰ উপৰিও তিতাবৰ মহকুমাত সৰু-বৰ চাহ বাগিচাৰ সংখ্যা ৩০১ খন। মহকুমাটোত পৰ্যটকক আকৰ্ষণ কৰিব পৰাকৈ যথেষ্ট ঠাই আছে। বিশেষকৈ অঞ্চলটোত বিতৰণ হৈ থকা বৃহৎ তথা ক্ষুদ্ৰ বাগানসমূহ, তথা গিবন বন্যপ্ৰাণী বনাঞ্চল। ঠেঙালভৱন, বৌধিষ্ট শ্যাম গাঁও, চুইছ গেট তথা সীমামূৰীয়া নগা পাহাৰৰ মনোমোহা ৰূপ, বিশাল কৃষি-পথাৰ, বিভিন্ন কুটিৰ শিল্প-ভাস্কৰ্যৰে পৰিপূৰ্ণ। আমাৰ আলোচনাত তিতাবৰ বিধানসভা সমষ্টিৰ চাহ বাগিচা অঞ্চলক সামৰি বিষয়টো লোৱা হ'ব।

জনগোষ্ঠী বুলিলে অসমৰ চাহ বাগিচাসমূহত কৰ্মচাৰী আৰু প্ৰাক্তন কৰ্মচাৰীসকলক বুজায়। কেইবাটাও ভিন ভিন জনগোষ্ঠীৰ অন্তৰ্ভূক্ত চাহ জনগোষ্ঠীৰ লোকসকল আৰু তেওঁলোকৰ পৰিয়ালসমূহ ঘাইকৈ অসমৰ বিভিন্ন প্ৰান্তত অৱস্থিত বাগিচাসমূহৰ বাহিৰেও তিতাবৰ অঞ্চলত অৱস্থিত প্ৰায় সকলো চাহ বাগিচা আৱাসিক এলেকাত অৱস্থিত বাগিচাসমূহত বসবাস কৰে। বৃটিছ চৰকাৰে তেওঁলোকক অসমৰ চাহ উদ্যোগ আৰু বাগিচাসমূহত কাম কৰিবলৈ শ্ৰমিক হিচাপে অসমলৈ আনে। বিশেষকৈ তিতাবৰ অঞ্চলত বসবাস কৰা চাহ জনগোষ্ঠীলোকসকল মূলতঃ তমিলনাডু, অন্ধ্ৰপ্ৰদেশ, ঝাৰখণ্ড, উৰিষ্যা, উত্তৰপ্ৰদেশ

আদি ৰাজ্যৰ পৰা অহা। এই অঞ্চলৰ চাহ-জনগোষ্ঠীলোকসকল বিভিন্ন সম্প্ৰদায়ৰ লোক আছে। সেই সম্প্ৰদায় সমূহ হ'ল - ভূমিজ, মুণ্ডা, মোদী, তাঁতী, তাছা, তেলেঙা, কুৰ্মী, বেদিয়া, লোহাৰ ইত্যাদি। এই সম্প্ৰদায়ৰলোকসকলৰ কিছুমান সম্প্ৰদায়ৰ নিজা ভাষা আছে। চাওতালসকলৰ চাওঁতালী, মুণ্ডাসকলৰ মুণ্ডাৰী। তিতাবৰ অঞ্চলৰ লোকসকলৰ মাজত বহুলভাৱে প্ৰচলিত ভাষা হ'ল চাদ্ৰী আৰু কুড়মালী ভাষা। যদিও এই ভাষাসমূহ বহুলভাৱে প্ৰচলিত হয় তথাপিও কিছু সংখ্যকলোকে কম-বেছি পৰিমাণে উৰিয়া, মুণ্ডাৰী, চাওঁতালী আদি ভাষাও ব্যৱহাৰ কৰা দেখা যায়।

**১.০২ ঃ তিতাবৰৰ চাহ জনগোষ্ঠীয় লোকসকলৰ জনসংখ্যা আৰু জীৱিকা**

তিতাবৰ অঞ্চলত বসবাস কৰা লোকসকলৰ মুঠ জনসংখ্যা লোকপিয়ল অনুসৰি (২০১১)- ২০১৭৯১ জন। এই তিতাবৰ অঞ্চলত বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকে বসবাস কৰে। তিতাবৰ অঞ্চলত বসবাস কৰা জনগোষ্ঠীসমূহৰ ভিতৰত এক উল্লেখ্যযোগ্য জনগোষ্ঠী হ'ল- চাহ-জনগোষ্ঠীসকল। এই চাহ জনগোষ্ঠীসকলৰ আনুমানিক জনসংখ্যা হৈছে ৭০/৮০ হেজাৰ। ভোটাৰ হিচাপত ৪৮/৫০ হেজাৰ।

চাহ জনগোষ্ঠীলোকসকলৰ প্ৰধান জীৱিকা হ'ল - চাহ বাগিচাৰ কৰ্মী। অৱশ্যে কিছুসংখ্যক লোকে গাঁও বা বস্তি এলকাসমূহত বসবাস কৰাৰ বাবে খেতি-বাতি কৰি জীৱিকা অৰ্জন কৰে। আন কিছু কিছু সংখ্যক লোকে ব্যৱসায় বাণিজ্য কৰি, চৰকাৰী বা বেচৰকাৰী খণ্ডত কাম কৰিও জীৱিকা অৰ্জন কৰা দেখা গৈছে।

# দ্বিতীয় অধ্যায়

# দ্বিতীয় অধ্যায়

## তিতাবৰৰ চাহ জনগোষ্ঠীয় লোকসকলৰ সামাজিক জীৱন

### ২.০১ ঃ তিতাবৰৰ চাহ জনগোষ্ঠীয় লোকসকলৰ শিক্ষা ঃ

সাম্প্ৰতিক প্ৰেক্ষাপটত চাহ শ্ৰমিক সমাজখনৰ অনগ্ৰসৰতাৰ মূল কাৰণ হ'ল- শিক্ষা। শিক্ষা হৈছে সমাজ এখনক অগ্ৰগতিৰ জখলাত আগুৱাই নিয়াৰ মূল চাবি-কাঠি। শিক্ষাৰ জৰিয়তে সমাজ এখনৰ উন্নয়নৰ মাপকাঠি নিৰ্ণয় কৰা হয়। শিক্ষাবিহীন সমাজ পশুতুল্য বুলি কোৱা হয়।

সমাজ এখন বাস্তৱিকতে কিমান উন্নয়ন সেয়াই নিৰ্ধাৰণ কৰে সমাজখনৰ শিক্ষাৰ মানদণ্ডই। গতিকে মানহৰ সমাজ জীৱনত ব্যক্তি বিশেষে শিক্ষাৰ প্ৰয়োজন কিমান সেইয়া উপলব্ধি কৰিব পাৰিলে মানুহ শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত আগ্ৰহী হ'ব।

তিতাবৰ অঞ্চলত বসবাস কৰা চাহ-জনগোষ্ঠীলোকসকল শিক্ষাৰ ক্ষেত্ৰত পিছপৰি ৰোৱা নাই। আন আন জনগোষ্ঠীৰলোকসকলৰ দৰেই চাহ-জনগোষ্ঠীলোকসকলে চাহ-বাগিচাসমূহত অতি কম মূল্যত কাম কৰি নিজৰ নিজৰ ল'ৰা-ছোৱালীবোৰক শিক্ষা গ্ৰহণৰ সুবিধা কৰি দিছে। তিতাবৰ অঞ্চলৰ চাহ জনগোষ্ঠীলোকসকলৰ শিক্ষাৰ সাক্ষৰতাৰ হাৰ আগতকৈ অলপ উন্নত হোৱা দেখা যায়। বৰ্তমান সময়ত চাহ জনগোষ্ঠীলোকসকলৰ প্ৰায়খিনি ল'ৰা-ছোৱালীয়ে উচ্চ শিক্ষাৰ বাবে হৈ বিভিন্ন মহাবিদ্যালয় তথা বিশ্ব-বিদ্যালয়সমূহত শিক্ষা গ্ৰহণ কৰা দেখা যায়। কিছুসংখ্যকলোকৰ ল'ৰা-ছোৱালীয়ে উচ্চ শিক্ষাৰে শিক্ষিত হৈ চিকিৎসালয়, মহাবিদ্যালয় তথা বিভিন্ন ধৰণৰ অনুষ্ঠানসমূহত কৰ্ম সংস্থাপনৰ সুবিধা লাভ কৰিছে।

### ২.০২ ঃ তিতাবৰৰ চাহ জনগোষ্ঠীসকলৰ ধৰ্মীয় জীৱন

তিতাবৰ অঞ্চলত বসবাস কৰা চাহ জনগোষ্ঠীলোকসকলৰ মাজত বিভিন্ন ধৰ্মাৱলম্বীলোকে বসবাস কৰে। এই চাহ জনগোষ্ঠী সম্প্ৰদায়ৰ বেছিভাগ লোকেই হিন্দু ধৰ্মাৱলম্বীৰ লোক। এওঁলোকে আদিম লোকধৰ্মৰ অন্যতম প্ৰাকৃতিক উপাসনা কৰা ছৌৰি-শাৰণা ধৰ্ম পালন কৰে। তেওঁলোকৰ প্ৰায় কম সংখ্যকলোকে খ্ৰীষ্টান ধৰ্ম পালন কৰে।

হিন্দু ধৰ্ম অৱলম্বন কৰাসকলে বিভিন্ন ঋতু অনুসৰি ভিন ভিন দেৱ-দেৱীৰ পূজা-অৰ্চনা কৰে। ইয়াৰ বেছিভাগেই জনজাতীয়লোকে দেৱ-দেৱী আৰু তন্ত্ৰ সম্পৰ্কীয় দেৱ-দেৱীৰ পূজা কৰে, বৈদিক হিন্দু ধৰ্মৰ প্ৰভাৱ কম যদিও শক্তি উপাসনা কৰা শাক্ত সম্প্ৰদায়ৰলোকৰ সংখ্যা অধিক। শ্ৰীমন্ত শংকৰদেৱে প্ৰচাৰ কৰা বৈষ্ণৱ ধৰ্মৰ প্ৰতি আকৃষ্ট হৈ কিছুমানে একশৰণ নামধৰ্ম গ্ৰহণ কৰিছে।

# তৃতীয় অধ্যায়

# তৃতীয় অধ্যায়

## তিতাবৰৰ চাহ-জনগোষ্ঠীয় লোকসকলৰ সাংস্কৃতিক জীৱন

### ৩.০১ ঃ তিতাবৰৰ চাহ জনগোষ্ঠীলোকসকলৰ উৎসৱ-পাৰ্ৱণসমূহৰ পৰিচয়

'আসাম দেশেৰ বৈশাখ বিহু কৰম পৰৱ সমানৰে, সৃষ্টিৰ কথা আছে গাঁথা দুনুতে সমানৰে' - বুলি ভৰা অসমৰ বৃহৎ জনগোষ্ঠী চাহ-জনজাতি সমাজৰ বিচিত্ৰ সাংস্কৃতিক সম্পদৰাজিয়ে অসমীয়া সংস্কৃতিৰ বিচিত্ৰতাক অধিক বিচিত্ৰ কৰি তুলিছে।

'বাৰ মাসে তেৰ পূজা' বুলি গৌৰৱ অনভৱ কৰা চাহ-জনজাতিসকলে প্ৰতিটো মাহতেই কিবা নহয় কিবা এটা পূজা-পাৰ্ৱণ পালন কৰে। আমি যদি ভালদৰে ফঁহিয়াই চাও তেন্তে দেখিবলৈ পাওঁ যে তিতাবৰ অঞ্চলৰ চাহ-জনগোষ্ঠীলোকসকলে কৃষিকেন্দ্ৰিক আৰু ধৰ্মকেন্দ্ৰিক উৎসৱ পালন কৰা দেখা যায়। কৃষিকেন্দ্ৰিক উৎসৱ কৰম পৰৱ, টুসু পূজা, সহঁৰাই পৰৱ, গ্ৰাম পূজা, বড় পাহাৰী পূজা, মংগলা পূজা, মাঘ বিহু। ধৰ্মকেন্দ্ৰিক উৎসৱ দুৰ্গা পূজা, বিশ্বকৰ্মা, ফাকুৱা, সৰস্বতী পূজা, লক্ষ্মীপূজা, কালিপূজা, শিৱৰাত্ৰি, গণেশ পূজা, চড়ক পূজা, মনসা পূজা, সত্য নাৰায়ণ পূজা, খ্ৰীষ্টমাছ ইত্যাদি।

**১) কৰম পূজা ঃ**

কৰম পূজা বা কৰম পৰৱ চাহ জনগোষ্ঠীলোকসকলৰ প্ৰধান জাতীয় উৎসৱ। কৰম পূজা মূলতঃ এটা কৃষিভিত্তিক উৎসৱ। চাহ-জনগোষ্ঠী লোকসকলৰ জীৱনৰ লগত কৰম পূজাৰ লগত জড়িত পৰম্পৰাগত কলা-সংস্কৃতি, ৰীতি-নীতিসমূহ ঐতিহাসিকভাৱে সংপৃক্ত হৈ আছে।

চাহ জনগোষ্ঠীৰলোকসকলে পালন কৰা কৰম পূজাক এক উৰ্বৰতাৰ পৰ্বৰূপ বুলি ক'ব পাৰি। কিয়নো শ্ৰমজীৱি চাহ-শ্ৰমিকসকলে কৃষি তথা উৰ্বৰতাৰ প্ৰতীকৰূপে এই কৰম পূজা পালন কৰে। সকলো ৰাইজে যাতে কোনো অসুবিধা নোহোৱাকৈ কৃষি-কাৰ্য কৰিব পাৰে আৰু শস্য যাতে নদন-বদন হয়, এই উদ্দেশ্যেৰেই কৰম পূজা পালন কৰে। তিতাবৰ অঞ্চলৰ ভিন ভিন বাগিচা ভেদে কৰবাত ৩ দিন, কৰবাত ৫ দিন বা কৰবাত ৭ দিনলৈ পালন কৰে। কৰম পূজা বা কৰম পৰৱ প্ৰত্যেক বছৰে তিনিটা সময়ত পালন কৰে আৰু তিনিওটা কৰম পৰৱকে তিনিটা ভিন ভিন নামেৰে জনা যায়। সেইকেইটা হ'ল ক্ৰমে-

১) ভাদমাহৰ শুক্লা একাদশী তিথিত পালন কৰা কৰম পৰৱক 'জিতিয়া কৰম' বোলা হয়।

২) আহিন মাহৰ বিজয়া দশমী তিথিত পালন কৰা কৰম পৰৱক 'বুঢ়ী কৰম' বোলা হয়।

৩) আঘোণ মাহৰ পূৰ্ণিমাত পালন কৰা কৰম পৰৱক 'ৰাস ঝুমুৰ' বোলা হয়।

এই আটাইকেইটা কৰম পৰৱৰ ভিতৰত 'জিতিয়া কৰম' অধিক ওলহ-মালহেৰে তথা আড়ম্বৰপূৰ্ণভাৱে পালন কৰা হয়।

কৰম পূজা মূলতঃ এক নাৰীকেন্দ্ৰীক উৎসৱ বা পৰৱ। এই কৰম পৰৱ বা পূজাৰ আচাৰ অনুষ্ঠানসমূহত যুৱতীসকলে প্ৰধান ভূমিকা গ্ৰহণ কৰে। কৰম পূজাত অংশ গ্ৰহণ কৰা যুৱতীসকলক 'কৰমতী' বুলি কোৱা হয়। কৰম পূজা অনুষ্ঠিত হোৱাৰ পাঁচদিন, তিনিদিন বা সাতদিন আগতে কৰমতী

অৰ্থাৎ কৰম ব্ৰতী যুৱতীসকলে দুটি সৰু নতুন বাঁহৰ টুকুৰী লৈ নদীৰ ঘাটলৈ যায় আৰু নদীত গা-পা ধুই এডোখৰ ঠাই পৰিষ্কাৰ কৰি লৈ থাপনা পাতে আৰু ধূপ-ধূনা, চাকি-বন্তি জ্বলাই ফুল নৈবেদ্যৰে আৰতি কৰি কৰম দেৱতাক আৰাধনা কৰে আৰু লগতে নিয়া টুকুৰীত প্ৰত্যেক কৰমতীয়ে একাজলীকৈ বালি ভৰায় আৰু বুট, ধান, মটৰ, মাটিমাহ, গোমধান, সৰিয়হ, মগু মাহ আদি শস্য গজালি মেলি বংশ বৃদ্ধি কৰিবলৈ সিঁচি দিয়ে, এই নিৰ্দিষ্ট কাৰ্যক 'জাৱা' ধৰা বা 'ঝাৱা ধৰা' বুলি কোৱা হয়। সেই শস্যখিনি যাতে অনিষ্টকাৰী কীট-পতংগই কোনো ক্ষতি কৰিব নোৱাৰে তাৰ বাবে গণেশ দেৱতাৰ নামত নৈবেদ্য উচৰ্গা কৰে। এই শস্যখিনি কৰম পূজাৰ দিনালৈ অংকুৰিত হয়। সেইদিনাৰ পৰা কৰম পূজাৰ দিনালৈকে জাৱা ধৰা ঘৰত কৰমতীসকলে সন্ধ্যা চাকি-বন্তি আৰু ধূপ-ধূনা জ্বলাই জাৱা জাগ্ৰত কৰে আৰু সেইদিনাৰ পৰাই কৰমতীসকলে কিছুমান পৱিত্ৰ ধৰ্মীয় নীতি-নিয়ম কঠোৰভাৱে পালন কৰি চলিব লগা হয়। কৰমতীয়ে নিয়ম উলংঘা কৰিলে অংকুৰিত হোৱা শস্যখিনি সতেজ নহয় বুলি এক পুৰণি লোকবিশ্বাস জড়িত হৈ আছে। কৰমতীসকলে পালন কৰা নিৰ্দিষ্ট নিয়মসমূহ হ'ল- সিদ্ধ আহাৰ গ্ৰহণ কৰা, তেল-হালধিযুক্ত আঞ্জা আৰু মিঠাতেলজাতীয় খাদ্য গ্ৰহণ নকৰা, গৰম আহাৰ গ্ৰহণ নকৰা, মূৰ-আঙুলিৰে নখজুৰা, চুলি ফণিয়াব নোৱাৰা, আমিষ খাদ্য গ্ৰহণ নকাৰ, নিশা পোৰ হৈ শোৱা, এই নিৰ্দিষ্ট নিয়মসমূহ পালন নকৰিলে জাৱা লেৰেলি যায়, গজালি ভাঙে, ৰঙচুৱা হয় নতুবা নষ্ট হৈ যায়।

জাৱা জগোৱাৰ নিয়মমতেই পূজাৰ আগেয়ে বৰণ কৰি থোৱা কৰম অৰ্থাৎ চিকামৰলীয়া গছ জোপাৰ পৰা ডাল কাটি আনি ধুনীয়াকৈ চোতালত বেদী স্থাপন কৰি ৰোৱা হয়। এনেদৰে ডাল পুতি কৰা কৰম পূজাক 'ডাল কৰম' বুলি অভিহিত কৰা হয়। সন্ধিয়া হোৱাৰ লগে লগে মূল পূজা আৰম্ভ কৰা হয়। প্ৰথমতে পূজাৰ বেদীত ধূপ-ধূনা, চাকি-বন্তি জ্বলাই পূৰ্বতে তুলি থোৱা জাৱাসহ ফুল-ফল আদি উচৰ্গা কৰা হয়। তাৰ পাছত পূজাৰ পুৰোহিতে উপবাসে থকা কৰমতীসকলক পূজাৰ বেদীৰ কাষত বহুৱাই লৈ কৰম পূজা সৃষ্টিৰ কাহিনী আৰু কৰম পূজা প্ৰৱৰ্তকৰূপে চিহ্নিত কৰমা আৰু ধৰমাৰ আখ্যান শুনায়।

পূজাৰ বেদীৰ চাৰিওফালে কৰম দেৱতাক মুঠ সাত পাক প্ৰদক্ষিণ কৰি আৰতি কৰে। এনেদৰে প্ৰদক্ষিণৰ সময়তে কৰমতীসকলে কৰম গছৰ একোটাকৈ ডালত কৰমতীসকলে নতুন হালধি দিয়া কাপোৰেৰে বান্ধি ডালত ধৰি থিয় হৈ ৰয়। আৰু পুৰোহিতে সোধা প্ৰশ্নৰ যথাযথ উত্তৰ প্ৰদান কৰে। শেষত কৰমতীসকলে কৰম দেৱতা আৰু পুৰোহিতক সেৱা জনায়। পুৰোহিতকে নিজৰ সাধ্য অনুযায়ী অৰিহণা দি নিজৰ মনোকামনা সিদ্ধিৰ বাবে প্ৰাৰ্থনা কৰে। পূজাৰ সমাপ্তিৰ পিছতে আৰম্ভ হয় প্ৰসাদ বিতৰণ পৰ্ব। তাৰ লগে লগে আৰম্ভ হয় চাহ জনগোষ্ঠীয় লোকসকলৰ স্ফূৰ্তি তামাছা, নৃত্য-গীতৰ বিশেষ অনুষ্ঠান, ওৰেটো নিশা চলি থকা এই নৃত্য-গীতৰ অনুষ্ঠানক ঝুমুৰ নাচ বা ঝুমুৰ গীত বুলি কোৱা হয়। এই ঝুমুৰ গীতবোৰত চাহ জনগোষ্ঠীয় জনজীৱনৰ লগত জড়িত বিভিন্ন বিষয় প্ৰতিফলিত হোৱা দেখা যায়।

পিছদিনা ৰাতিপুৱাই সূৰ্যোদয়ৰ লগে লগেই কৰমতীসকলে পুৰোহিতৰ লগত শ্ৰদ্ধা-সন্মানসহ বেদীৰ পৰা কৰম ডালটো উভালি নি ঢোল-মাদলৰ ছেৱে-ছেৱে নৃত্য-গীত কৰি কৰি গৈ পুখুৰী বা নদীত বিসৰ্জন দিয়ে আৰু সেইদিনা সন্ধিয়া কৰমতীসকলে বিসৰ্জন দিয়া কৰমডালৰ অৱশিষ্ট গাঁতটোৰ কাষত চাকি-বন্তি প্ৰজ্বলন কৰে আৰু এমুঠিকৈ মাটি দি সেই গাঁতটো পুতি দিয়ে, এই বিশেষ অনুষ্ঠানটোক 'গাড়াভোতা' বুলি কোৱা হয়।

কৰম পূজা মুখ্যতঃ চাহ জনগোষ্ঠীৰ যুৱক-যুৱতীসকলৰ অনুষ্ঠান। কিন্তু এই অনুষ্ঠানত আবাল-বৃদ্ধ-বণিতাই সমানে ৰং ৰহইচ কৰা পৰিলক্ষিত হয়।

**২) গৰয়া পূজা বা সহঁৰাই পৰৱ বা বাঁধনা পৰৱ ঃ**

আদিবাসী চাহ-জনগোষ্ঠীৰ কৃষিজীৱি লোকৰ কৃষিভিত্তিক লোক উৎসৱৰ ভিতৰত সহঁৰাই পৰৱ বা গৰয়া পূজা অন্যতম। আদিবাসী কৃষিজীৱি লোকসকল কৃষিৰ ওপৰত নিৰ্ভৰশীল সেয়ে তেওঁলোকৰ পূজা-পাৰ্ৱণ সমূহ কৃষি সম্বন্ধীয়। ধান হৈছে তেওঁলোকৰ প্ৰধান শস্য। হালবোৱা, ধনা সিঁচা, কঠিয়া ৰোপণৰ পৰা আৰম্ভ কৰি ধান দোৱা, ধান কঢ়িওৱা, মৰণা মাৰি ভঁৰালত সোমোৱালৈকে কৃষিজীৱিসকল খেতিৰ কামত ব্যস্ত হৈ পৰে। এই কাৰ্যত সহায়ক ৰূপে গৰু, ম'হ হৈছে প্ৰধান পশুধন। সেয়ে তেওঁলোকে গৰু, ম'হ আদিক পশুধন ৰূপে গো-বন্দনা, গো-পূজা তথা গৰু, ম'হ আদিক সেয়া-শুশ্ৰূষা কৰি উৎসৱ পালন কৰে। এই গো-বন্দনা তথা সেৱা কৰা উৎসৱটোকে চহৰাই পৰৱ বা বাঁধনা পৰৱ বুলি কোৱা হয়।

কাৰ্তিক মাহৰ কৃষ্ণপক্ষৰ ত্ৰয়োদশ দিনাৰ পৰা তিতাবৰ অঞ্চলৰ চাহ-জনগোষ্ঠীৰ লোকসকলে সহঁৰাই পৰৱ অতি ধুম-ধামেৰে আয়োজন কৰে। এই পৰৱৰ আয়োজনৰ কিছুদিন আগৰে পৰা কৃষিজীৱিলোকৰ মন আনন্দত মতলীয়া হৈ পৰে। সকলোৰে পৰৱক আদৰণি জনাবলৈ ব্যস্ত হৈ পৰে। সকলোলোকেই ঘৰ-বেৰ আৰু ঘৰৰ চাৰিওফালে চাফ-চিকুণতাৰ কাম আৰম্ভ কৰে। সেইকেইদিনমান গৰুৰ বাবে ঘাঁহ কাটে, ঘৰৰ চোতাল আৰু গোহালিখন পৰিষ্কাৰ পৰিচ্ছন্ন কৰাত ব্যস্ত হৈ পৰে।

গৰয়া বা সহঁৰাই পৰৱৰ দিনা গাঁৱৰ প্ৰত্যেক কৃষিজীৱিলোকে নিজৰ নিজৰ গৰুবিলাকক নদী বা পুখুৰীত গা ধুৱাই গাঁৱৰ এমূৰত ‘গঠ পূজা’ কৰে। চাউল, সেন্দূৰ, ধ্ৰুৱ ঘাঁহ (দুৰৰী বন), ধূপ-ধূনাৰে পূজা-অৰ্চনা কৰে। এই পূজা গৰু, ম'হ আদিৰ কোনো ধৰণৰ ৰোগ নহ'বৰ বাবে কৰা হয় বুলি এক লোকবিশ্বাস জড়িত হৈ আছে। সেইদিনা সন্ধিয়া গাঁৱৰ সকলোৰে ঘৰে ঘৰে অহিৰা বা সহঁৰাই গীত গাই গাই নিশাটো গৃহস্থক জাগি থাকিবলৈ আৰু গোটেই নিশা গৰু, ম'হ আদিক সেৱা-শুশ্ৰূষা কৰিবলৈ গীতৰ দ্বাৰা আহ্বান জনায়।

**৩) টুচু পূজা বা পৌষ পূজা ঃ**

টুচু পূজা চাহ জনজাতি সমাজৰ অন্যতম জাতীয় উৎসৱ। ইয়াক পৌষ পৰৱ বুলি কোৱা হয়। টুচু পূজা বা টুচু পৰৱ পুহ আৰু মাঘ মাহৰ সংক্ৰান্তিৰ দিনা পালন কৰে। পুহ মাহত আৰম্ভ হোৱা বাবে এই পৰৱক পৌষ পৰৱ বুলিও কোৱা হয়। চাহ জনজাতিসকলে টুচুক এগৰাকী দেৱীৰূপে পূজা কৰে। এই পূজা মূলতঃ নাৰীকেন্দ্ৰিক যদিও পুৰুষেও ইয়াৰ ৰং ৰহইচত ভাগ লয়। অসমীয়া সমাজৰ জাতীয় উৎসৱ ভোগালী বা মাঘ বিহুৰ লগত টুচু পৰৱৰ মিল থকা দেখা যায়। টুচু এগৰাকী মহাসতী দেৱী। সেই মহাসতী দেৱীগৰাকীয়ে পতিৰ মৃত্যুত পতিৰ চিতাত একেলগে জীৱন দাহ দিছিল এই মকৰ সংক্ৰান্তিৰ দিনা। সেই দিনধৰি মহাসতী টুচুৰ গুণানুকীৰ্তন টুচু গীতৰ মাজেৰে প্ৰকাশ পায়। পৰৱৰ আৰম্ভণি দিনটো টুচু জাগৰণ আৰু শেষৰ দিনটোক টুচু ভাষাণ বোলে। আখ্যানমতে টুচু দেৱীৰ জীৱনকাল বহু ঘাত-প্ৰতিঘাতেৰে পৰিপূৰ্ণ। টুচু গীতবোৰ অতি সুমধুৰ।

পুহ মাহ সোমোৱাৰ লগে লগেই চাহ জনগোষ্ঠীৰ গাভৰুবোৰ কোনো এঘৰত গোট খায় আৰু তেওঁলোকৰ মাজত এগৰাকী টুচু মা পাতে। ইয়াৰ পাছত কুলি বা ম'ৰা চৰাইত উঠি থকা, হাতত ছাতি আৰু কলহ লোৱা টুচুৰ মূৰ্তি আনি পূজা কৰা হয়। নিতৌ সন্ধিয়া গাভৰুবোৰে ফল-মূল, আখৈ আদি দি টুচুক অৰ্চনা কৰে। পুহৰ শেষৰ ৰাতিৰ দিনা গাভৰুহঁতৰ লগতে ডেকাবোৰেও উজাগৰে থাকি টুচু গীত গায়। ৰাতিপুৱা লগে লগে টুচুদেৱীৰ মূৰ্তিটো টুচু-মাৰ মূৰত তুলি আটায়ে নদীৰ ঘাটলৈ যায়। যাওঁতে বাটত ঘৰে ঘৰে সোমায় টুচুক ফুৰায়। মানুহে টুচুক পূজা-অৰ্চনা কৰে আৰু তিলপিঠা খাবলৈ দিয়ে। চাহ-জনগোষ্ঠীৰ গাভৰুহঁতে মাঘ মাহত তিলপিঠা খোৱাৰ নিয়ম আছে। সেয়ে তেওঁলোকৰ পুহৰ সংক্ৰান্তিৰ এই উৎসৱক তিল সাঁকৰাইও বোলে। শ্ৰদ্ধাৰে টুচু পূজা পালন কৰিলে বছৰটোত খৰ-খজুৰতি নহয় বুলি তেওঁলোকৰ মাজত জনবিশ্বাস প্ৰচলিত। এই পূজাত পিঠা-পনাৰ লগত কাঠ আলু (ধান-আলু), মিঠা আলু (চকৰাকান্দা) আদি খোৱাৰো নিয়ম আছে।

টুচুক সকলোৰে ঘৰত ফুৰোৱাৰ পাছত নদীৰ ঘাটলৈ নিয়া হয়। নৈৰ ঘাটত বিভিন্ন ঠাইৰ পৰা অহা টুচুৰ দল গোট খায় আৰু তাতে তেওঁলোকৰ মাজত গীতৰ প্ৰতিযোগিতা হয়। শেষত সকলোৰে টুচুক নৈৰ বুকুত বিসৰ্জন (ভাষান) দিয়ে। নৈৰ ঘাটতে জল দেৱতাক সাক্ষী কৰি বহুতে সেইদিনা সখী পাতে। ইয়াক 'ফুল প্ৰাণ' পতা বোলা হয়। এনেদৰে চাহ-জনজাতিলোকসকলে টুচু-পূজা মহা আনন্দৰে উদ্‌যাপন কৰে।

**৪) গ্ৰাম পূজা ঃ**

গ্ৰাম পূজা চাহ জনগোষ্ঠী লোকসকলৰ এক লোক পৰম্পৰা ভিত্তিক উৎসৱ। এই পূজা আহাৰ মাহত পতা হয়। সাধাৰণতে এই পূজা সমূহীয়াভাৱে কৰা হয়। যদিও কেতিয়াবা কোনো কোনো লোকে ব্যক্তিগতভাৱেও অনুষ্ঠিত কৰে। এই পূজাৰ বাবে কোনো নিৰ্দিষ্ট দিন-বাৰ নাথাকে। ৰাইজৰ সুবিধা-অনুযায়ী পূজাৰ দিন ৰাইজেই ঠিক কৰি লয়। চাহ জনজাতি সমাজৰ এটা বিশ্বাস আছে যে প্ৰত্যেক অঞ্চলতে ৰখীয়াৰূপে একোজন দেৱতা থাকে। এই দেৱতাজনেই অপায়-অমংগলৰ পৰা অঞ্চলটো ৰক্ষা কৰি থাকে বুলি তেওঁলোকে বিশ্বাস কৰে। সেয়ে বছৰি এদিন এই দেৱতাগৰাকীক সকলোৰে মিলি পূজা কৰে। এই গ্ৰাম পূজাৰ কাৰণে কোনো ব্ৰাহ্মণৰ আৱশ্যক নাই। গাঁও বা বাগিচা অঞ্চলৰ মুখিয়ালজনক এই পূজা কৰিবলৈ দিয়া হয়। তেওঁক নায়ক বোলে। পূজাৰ কাম কৰিবলৈ দুজনমান উপ-নায়ক বাছি দিয়া হয়। পূজাৰ দিনা নায়ক আৰু উপ-নায়কসকলে উপবাসে থাকি পুৱাই গা-পা ধুই নতুন বস্ত্ৰ পৰিধান কৰি পূজাৰ কামত আগবাঢ়ে। পূজাত কুকুৰা, পাৰ, ছাগলী আদি বলি দিয়া প্ৰথা আছে। গ্ৰাম পূজা পতা ৰাজহুৱা থান ঘৰটোক গ্ৰামথান বোলে। সেইদিনা গ্ৰাম-থানটোক মচি-কুচি ভালদৰে চাফ-চিকুণ কৰি লোৱা হয়। পূজাৰ সময়ত থানৰ এটা মূৰত গোটা বাঁহৰ মূৰত ৰঙা কাপোৰ বান্ধি ঝাণ্ডা পোতা হয়। অনবৰতে বাজনা বাজি থকাৰ মাজত পূজা কৰি থাকোঁতে নায়কৰ গাত দেও লম্ভে। পূজা কৰি থকা অৱস্থাৰ পৰা কঁপি কঁপি নায়কজন উঠি যায়। আৰু জঁপিয়াবলৈ আৰম্ভ কৰে। ইয়াক 'জুপান' উঠা বা 'চাটিয়া উঠা' বুলি কয়, ঝুপানৰ সময়ত সমবেত ৰাইজে অঞ্চলটোৰ উপায়-অমংগলৰ বিভিন্ন কথা নায়কজনক প্ৰশ্ন কৰে আৰু নায়কজনেও সেইবোৰ কথাৰ উত্তৰ দি যায়। অপায়-অমংগলৰ পৰা হাত সাৰিবলৈ কিবা কৰিবলগীয়া থাকিলে তাৰ সমিধানৰ কথাও কৈ যায়।

**৫) বড়পাহাৰী পূজা ঃ**

বড় পাহাৰী পূজা প্ৰতি তিনি বছৰৰ মূৰে মূৰে মাঘ বা ফাগুন মাহৰ কেনো এক শুভ দিনত অনুষ্ঠিত কৰে। এই পূজাৰ বাবে কোনো নিৰ্দিষ্ট দিন-বাৰ তিথি নাই। সুবিধা অনুযায়ী নিজে দিন-বাৰলৈকে ঠিক কৰি লয়। চাহ জনজাতিৰ পূৰ্বপুৰুষসকলৰ সম্পৰ্ক হাবি-জংঘল আৰু পাহাৰ-পৰ্বতৰ লগত থকাৰ কাৰণেই বোধহয় তেওঁলোকে গছ-সাপ, পাহাৰ আদিক দেৱ-দেৱীৰ মানত জ্ঞান কৰি সেইবোৰক পূজা কৰিছিল। এই পাহাৰ পূজাৰ প্ৰচলন লাহে লাহে কমি আহিছে। এয়া এক পুৰুষপ্ৰধান পূজা। মহিলাসকলে এই পূজাত ভাগ নলয়। ঘৰৰ বাহিৰতহে এই পূজা পাতে। পূজাত এক ৰঙৰ ছাগলী বলি দিয়ে। পূজাৰ অন্তত বলি দিয়া ছাগলীৰ মাংসৰে ভাত খাই সকলো ঘৰা-ঘৰি হয়। পূজাৰ বস্তু একো ঘৰলৈ নানে।

**৬) মংলা পূজা ঃ**

চ'ত মাহৰ পূৰ্ণিমা তিথিৰ আগৰ মঙল বাৰটোত এই মংলা পূজা কৰা হয়। চাহ জনজাতি সমাজৰ সকলোলোকে এই পূজা নকৰে। এই পূজা দিনৰভাগতে কৰি শেষ কৰা হয়। পূজাৰ বেদিত পাঁচমুখীয়া মাটিৰ পাত্ৰত পানী ভৰাই ঘট পতা হয়। ঘটত পাঁচটা বাঁহৰ কাঠিত পাঁচটা ফুল গুজি দিয়া হয়। পূজাৰ নামত ঘৰৰ ভিতৰত লাল মূৰ্গী আৰু ঘৰৰ বাহিৰত পঠ ছাগলী বলি দিয়া হয়। পূজাত প্ৰসাদ হিচাপে পায়স, আখৈ, গুড় আৰু চাউলৰ গুড়ি আদি ব্যৱহাৰ কৰা হয়। পূজাত ঝুপান উঠে। এই পূজাত একৈশটা বেলপাত আৰু শাল পাতত পূজাৰ ভোগ পিতা-মাত, নানা-নানী, ধৰম মংলাকে আদি কৰি একৈশজন দেৱতাৰ নামত আগবঢ়ায়। এই পূজা ৰোগ, ব্যাধি, অপায়-অমংগলৰ পৰা হাত সাৰিবলৈ কৰে।

**৭) দীপাৱলী ঃ**

শৰৎকালত পালন কৰা হিন্দু ধৰ্মৰ আটাইতকৈ জাক জমকতাৰ উৎসৱেই হৈছে দীপাৱলী দীপান্বিতা কাতি মাহৰ অমাৱস্যা তিথিৰ দিনা 'দীপাৱলী' পালন কৰা হয়।

এই উৎসৱক পোহৰৰ উৎসৱ বুলি কোৱা হয়। সেয়ে অন্ধকাৰক নাশিবলৈ, শাৰী শাৰী বন্তি প্ৰজ্বলনেৰে চৌদিশে পোহৰাই তোলা হয়। দেৱালীৰ সময়ত ঘৰ-দুৱাৰ, দোকান-পোহাৰ, কাৰ্যালয়, মন্দিৰ আদি নানান আলোকসজ্জাৰে আলোকিত কৰা হয়। দীপাৱলী উৎসৱ ঠাইভেদে এদিনীয়া, তিনিদিনীয়া অথবা পাঁচদিনীয়াকৈ পালন কৰা দেখা যায় যদিও উৎসৱৰ দিনা হিন্দু দিনপঞ্জীমতে বছৰৰ আটাইতকৈ অন্ধকাৰ দিন কাতি মাহৰ অমাৱস্যা তিথিত মূল দেৱালী পালন কৰা হয়। দেৱালীৰ আগে-আগে মানুহে তেওঁলোকৰ ঘৰ, কৰ্মস্থান চাফ-চিকুণ, পুনৰনিৰ্মাণ আৰু সৌন্দৰ্য বৰ্ধনত ব্যস্ত হৈ পৰে। দেৱালীৰ দিনা সকলোৱে সুন্দৰ সাজ পিন্ধি ঘৰৰ ভিতৰে বাহিৰে মিঠাতেলৰ মাটি চাকি, মম আলোকসজ্জাৰে আলোকিত কৰি তোলে, অৱশ্যে বৰ্তমান সময়ৰ আধুনিকতাৰ ফলত কিছুসংখ্যকলোকে ইলেক্ট্ৰিনিক বাল্ব ব্যৱহাৰ কৰা দেখা যায়। ইয়াৰ লগতে বোমা-ফটকা ফুটাই আনন্দ কৰে।

দীপাৱলী পালন কৰা মূল কাৰণ হৈছে- দুষ্টক দমন, শিষ্টক পালন অৰ্থাৎ অন্যায়ৰ বিৰুদ্ধে ন্যায়ৰ জয়। অসূয়া-অপশক্তিক নিৰ্মল কৰি সুখ-শান্তি স্থাপন কৰা।

**৮) চড়ক পূজা ঃ**

চ'ত মাহত চড়ক পূজা পাতে। ইয়াক চৈত পৰৱ বুলিও কোৱা হয়। এই পূজাতে ভক্তসকলে জিভা, পিঠি, বুকু আদিত তাঁৰ সুমোৱাই লয়। সেই তাঁৰত বান্ধি খুঁটাৰ ওপৰত চকৰি ঘূৰাদি ঘূৰে। গাত তাঁৰ সোমালেও দুখ নাপায় আৰু তেজ এটোপালো নোলায়। তাৰবাবে ভক্তসকলে উপবাসে থাকে আৰু উপবাসৰ আগৰ কেইদিন আনৰ হাতত ৰন্ধা একো বস্তু নাখায়। সেই কেইদিন নিজে ৰান্ধি খায়।

**৯) মাঘ বিহু ঃ**

পুহ-মাঘৰ সংক্ৰান্তিৰ দিনা ভোগালী বিহু বা মাঘ বিহু পালন কৰে। এই বিহু তিনিদিন উদ্‌যাপন কৰা দেখা যায়। সংক্ৰান্তি বা দোমাহীৰ আগদিনা উৰুকা। উৰুকাৰ পিছৰ দিনটো সংক্ৰান্তি অৰ্থাৎ পুহমাহৰ শেষৰ দিন। তাৰ পিছদিনা অৰ্থাৎ মাঘ বিহুৰ প্ৰথম দিনা মাঘ বিহু। এই মাঘ বিহুটোক 'ভোগালী বিহু' বুলি কোৱা হয়। মাঘ বিহুৰ দিনা আন আন জনগোষ্ঠীলোকসকলৰ দৰে চাহ জনগোষ্ঠী লোসকলেও উৰুকা বা তাৰ আগৰে পৰা নিজৰ ঘৰতে বা অন্যঠাইত লগ হৈ বিভিন্ন সুস্বাদু খাদ্য সামগ্ৰী যেনে লাৰু, পিঠা, চিৰা-দৈ আদি প্ৰস্তুত কৰাত ব্যস্ত হৈ পৰে। অন্যহাতে দি পুৰুষসকলে আনন্দ উল্লাহৰ মাজেৰে বাঁহ, খেৰ, কলগছৰ শুকান পাতেৰে ভেলাঘৰ আৰু মেজি আদি বনোৱাত ব্যস্ত হৈ পৰে। উৰুকাৰ ৰাতি ঘৰৰ সকলো সদস্য একেলগে মিলি ঘৰতে অথবা ভেলাঘৰৰ ভিতৰত এসাজ ভোজনৰ তৃপ্তি লয়। উৰুকাৰ পিছদিনা অৰ্থাৎ সংক্ৰান্তিৰ দিনা ঘৰৰ সকলো সদস্যই ৰাতিপুৱাই সোনকালে গা-পা ধুই পৰিষ্কাৰ কাপোৰ পিন্ধি আগদিনাই বনাই থোৱা মেজি আৰু ভেলাঘৰৰ ওচৰলৈ যায়। ইয়াত সমাজৰ সকলো লোকৰে আগমন ঘটে। অনুভৱ হয় প্ৰকৃততে মাঘ বিহু যেন সম্প্ৰীতিৰহে উৎসৱ। সাধাৰণতে সমাজৰ বয়োজ্যেষ্ঠজনে মুকলি ঠাইত বনোৱা মেজি বা ভেলাঘৰ জ্বলায়। ভক্তিসহকাৰে অগ্নিদেৱতালৈ নাৰিকল, তামোল, ঘি, তিল, মাহ, চাউল, লাৰু-পিঠা আদি নানান দ্ৰব্য অৰ্পণ কৰে।

**১০) দুৰ্গা পূজা ঃ**

সাৰ্বজনীন ৰূপত প্ৰতিষ্ঠা লাভ কৰা দুৰ্গা পূজা চাহ জনজাতি সমাজেও বেছ উলহ-মালহেৰে উদ্‌যাপন কৰে। যথা ৰীতি-নীতিৰ মাজেৰে পালন কৰা দুৰ্গাপূজাত হাঁহ, ছাগলী বলি দিয়াৰ নিয়ম আছে। চাহ-জনগোষ্ঠীলোকসকলে এই পূজা ঘৰুৱাভাৱে অনুষ্টুপীয়াভাৱে পালন কৰিলেও ৰাজহুৱাভাৱে বহল ভিত্তিত পালন কৰে। শক্তি পূজাত বিশ্বাসী চাহ জনজাতি লোকসকলেও দুৰ্গা দেৱীক এক শক্তিৰ প্ৰতীক হিচাপে গণ্য কৰে। দেৱীৰ আগমন উপলক্ষে ঘৰ-দুৱাৰ চাফ-চিকুণ কৰি ৰাখে। ওচৰত বেলগছ থাকিলে তাৰ গুৰিত চাফ-চিকুণ কৰি চাকি-বন্তি জ্বলায়। পূজাত নতুন কাপোৰ লয়। ষষ্ঠীত বেল বৰণেৰে আৰম্ভ হোৱা দুৰ্গা পূজা দশমীত দেৱী বিসৰ্জনেৰে পূজাৰ সমাপ্তি ঘটে।

**১১) লক্ষ্মীপূজা ঃ**

আহিন-কাতি মাহত লক্ষ্মী পূৰ্ণিমাত লক্ষ্মী পূজা পাতে। লক্ষ্মীদেৱীৰ থাপনা পাতি ঘৰুৱা আৰু

ৰাজহুৱা দুই ৰকমেৰে এই পূজা পাতে। পূজাত বলি-বিধানৰ নিয়ম নাই। এই পূজাত লক্ষ্মীচৰিত পাঠ কৰে। ই সাধাৰণতে মহিলা প্ৰধান পূজা। ঘৰুৱা পূজাত মহিলাসকলেই ইয়াৰ আগভাগ লয়। পূজাৰ দিনা কোনো ভজা-পোৰা কাম নকৰে। ৰাতি লঘু নিৰামিষ আহাৰ গ্ৰহণ কৰে।

**১২) তুলসী পূজা ঃ**

তুলসী পূজা সাধাৰণতে কাতি মাহৰ সংক্ৰান্তিৰ দিনা পালন কৰে। সেইদিনা তুলসী থাপ ভালদৰে লিপা-মুচা কৰি থানত চাকি-বন্তি, ধূপ-ধূনা দিয়ে। সন্ধিয়া তুলসী থানত 'তুলসী চৰিত' বা 'কীৰ্তন পুথি' পাঠ কৰা দেখা যায়।

**১৩) ফাকুৱা পৰব ঃ**

ফাগুন মাহৰ পূৰ্ণিমা তিথিত ফাকুৱা পৰব পালন কৰে। ইয়াক হোলী বা ফাকুৱা উৎসৱ বুলি কয়। এই পৰবতে ইজনে সিজনৰ গাত ৰং ঘহি হোলী বা ফাকুৱা খেল খেলে। ঘৰৰ গৃহস্থই পুৱাই গা-পা ধুই ইষ্ট দেৱতাৰ নামত ফাকু গুড়ি পূজাৰ থানত উছৰ্গা কৰি ৰং খেলাৰ আৰম্ভ কৰে। এই পৰবত চাহ জনজাতি সমাজৰ লোকে ৰং খেলাৰ উপৰিও কাঠি নাচৰ আয়োজন কৰে। হাতে হাতে দুটাকৈ দুফুটমান দীঘল মাৰি লৈ বৃত্তাকাৰে গীত গাই গাই কাঠি নাচ নাচে। বহুতে এই পৰবত 'হোলিকা দাহ' কৰে। কাঠ-বাঁহ গোটাই মেজি পোৰাৰ দৰে। হোলিকা দাহ কৰে।

**১৪) শিৱৰাত্ৰি ঃ**

ফাগুন মাহত শিৱৰাত্ৰিৰ দিনা বেলগছৰ তলত চাকি-বন্তি জ্বলাই খুপ-ধূনা দি শিৱৰ পূজা কৰে। এইদিনা পূজাত মাহ-প্ৰসাদৰ উপৰিও ভাং আৰু ভাঙৰ লাড়ু, ভাঙৰ ঘোটা আদি আগবঢ়ায়। সেইদিনা ভাঙজাতীয় দ্ৰব্য খোৱাৰ ধুম উঠে। শিৱমন্দিৰবোৰত মেলা বহে। শিৱভক্তসকলে পুৱাই গা-পা ধুই বেলগছৰ গুৰিত পানী ঢালি আৰাধানা কৰে।

**১৫) মনসা পূজা ঃ**

চাহ জনজাতি সমাজে মনসাদেৱীৰ পূজা বৰ্ষা ঋতুৰ বতৰতে পালন কৰে। এই পূজা দুটা সময়ত পাতে। এটা হ'ল ভাদ মাহত আৰু আনটো হ'ল শাওন মাহৰ নাগ-পঞ্চমী তিথিত। পূজাত কোনো বামুণ নালাগে। যথাৰীতি নিয়মক মাজেৰে পুৰাণ পুথি পাঠ কৰি পূজাৰ কাম সমাধা কৰে। পূজাত 'ঝুপাম' উঠে আৰু 'ঝুপান' উঠাজনক কঁহুৱা বনেৰে তৈয়াৰ কৰা 'কড়ৰা' নামেৰে পৰিচিত এবিধ চুটি পঘাৰে কোবায়। কোবাওতে কেতিয়াবা গাৰ ছাল ফাটি যোৱাও দেখা যায়। মনসা পূজাত বাদ্যযন্ত্ৰ সহকাৰে মনসা গীত গোৱা হয়। মনসাদেৱীৰ মূৰ্তি বা ঘট থাপনা কৰি পূজা কৰা হয়। পূজা কৰা ঘৰৰ লোকে সাধাৰণতে সাপ নামাৰে আৰু পূজাৰ দিন পাৰ নোহোৱালৈকে কোমোৰা আৰু জিকা নাখায়। এই পূজাত অন্যান্য ফুলৰ লগতে পদুম ফুল অতি প্ৰয়োজনীয়। দেৱী বিসৰ্জনৰ দিনা দেৱীলৈ বুলি পইতা ভাত আৰু জিকা দি মাগুৰ মাছেৰে ৰন্ধা তৰকাৰী আগবঢ়োৱা নিয়ম আছে। মনসা গীত-মাতবোৰৰ মাজত মনসাৰ উপৰিও বেউলা-লখীন্দৰ তথা চান্দ সদাগৰৰ বিবিধ কথা বিচাৰি পোৱা যায়।

**১৬) সৰস্বতী পূজা ঃ**

জ্ঞান আৰু শিক্ষাৰ দেৱী সৰস্বতীৰ বন্দনা কৰিবৰ কাৰণে অনুষ্ঠিত কৰা এটা ধৰ্মীয় উৎসৱ। এই পূজা বিশেষকৈ শিক্ষানুষ্ঠানসমূহত অনুষ্ঠিত কৰা হয় যদিও গাঁৱৰ সকলো ৰাইজে মিলি সমূহীয়াকৈও অনুষ্ঠিত কৰা দেখা যায়। এদিনীয়াকৈ পতা এই উৎসৱৰ আগবেলা পূজা অথবা নাম-প্ৰসঙ্গই প্ৰাধান্য লাভ কৰে। সকলোৱে সুন্দৰ সাজপাৰ পৰিধান কৰি তাত অংশ গ্ৰহণ কৰে। তাৰপাছত অতিথিসকলক চাহ, লুচি আদিৰে আপ্যায়ন কৰা হয়।

**৩.০২ তিতাবৰৰ চাহ জনগোষ্ঠীয় লোকসকলে উৎসৱ-পাৰ্ৱণত পৰিধান কৰা সাজপাৰ আৰু আ-অলংকাৰসমূহৰ চমু পৰিচয় ঃ**

সাজপাৰে এটা জাতিৰ ৰুচিবোধ সম্পন্ন ঐতিহ্যক দাঙি ধৰাৰ লগতে সাজপাৰে জাতিটোৰ স্বকীয়তা পৰিচয় দিয়ে। সাজপাৰৰ প্ৰচলন শৰীৰক ৰক্ষা কৰিবলৈ আৰু লজ্জা নিবাৰণৰ বাবে ব্যৱহাৰ কৰিছিল। সাজপাৰৰ জৰিয়তে নিজকে দেখনিয়াৰ কৰাত ব্যৱহাৰ কৰা হয়। সভ্যতা-সংস্কৃতিৰ অন্যতম পথ নিৰ্দেশক সাজপাৰ আৰু অলংকাৰ পাতি।

সাংস্কৃতিক উৎসৱ-পাৰ্ৱণ অৰ্থাৎ কৰম পূজা, টুচু পূজা, ফাগুৱা পৰৱ, সহঁৰাই পৰৱ ইত্যাদিবোৰত বিশেষকৈ কৰম পৰৱত চাহ-জনগোষ্ঠীলোকসকলে 'ঝুমুই'ৰ নৃত্য-গীত পৰিৱেশন কৰোঁতে মহিলাসকলে আঁঠুৰ তললৈকে কলাফুল ওলাই থকাকৈ 'লালপাৰী'ৰ বগা শাৰী আৰু ৰঙা ব্লাউজ পৰিধান কৰা দেখা যায়। হাতত ৰুমাল লয়। সেওঁতাত 'সীতা পটি' ভৰিত 'পয়ৰী' হাত আৰু ভৰিৰ আঙুলিত আঙুঠি ডিঙিত হাৰ বা মালা, হাতত খাৰু আদি পৰিধান কৰি নৃত্য-গীত পৰিৱেশন কৰে। পুৰুষসকলে ধুতি আৰু কামিজ পৰিধান কৰে। 'ৰইসকা' আৰু বাদ্যযন্ত্ৰীসকলে মূৰত পিঠিৰ ফালে কঁকাললৈকে ওলমি থকাকৈ বগা ৰঙৰ কপাহী পাগুৰি আৰু কঁকালত গামোচা মাৰে।

**৩.০৩ উৎসৱসমূহত ব্যৱহাৰ কৰা বাদ্যযন্ত্ৰসমূহৰ চমু পৰিচয় ঃ**

চাহ জনগোষ্ঠী সমাজখন হ'ল অতি পিছপৰা এখন সমাজ। হ'লেও বৰ্তমান সময়ত পঢ়াশুনাকে আদি কৰি নৃত্য-গীত, খেল-ধেমালি আদিৰ দিশটো বহুখিনি আগবাঢ়ি যোৱা দেখা গৈছে। বৃটিছে যেতিয়া ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা চাহ জনগোষ্ঠী সমাজৰ লোকসকলক অসমৰ চাহ খেতিত শ্ৰম নিয়োজনৰ বাবে বিভিন্ন প্ৰলোভন দি অসমলৈ আনিছিল সেই সময়ত তেওঁবিলাকে নিজৰ মাত্ৰ এটাই বস্তু লগত লৈ আহিছিল সেইটো হৈছে- তেওঁলোকৰ সংস্কৃতি আৰু পৰম্পৰাসমূহ। সেই সংস্কৃতিসমূহৰ অন্যতম হ'ল- কৰম পূজা, মনসা পূজা, গ্ৰাম পূজা, টুচু পূজা বা পৰৱ ইত্যাদি। এই পূজা সমূহত ব্যৱহাৰ কৰা বাদ্যযন্ত্ৰসমূহ হ'ল- ঢোল, তাল, বাঁহী, ধামচা (দবা) চেহেনাই, জয়ঢোল (ঢাক), মাদল, ঘণ্টা, ঢাপলা বা কেৰিং, খেৰচাং বা ডেগড়, বাঁশী, ঝাঁবা, ছমছমী, ঢুলকী ইত্যাদি।

# সিদ্ধান্ত

১) চাহ জনজাতিসকলৰ মহামিলনৰ সংস্কৃতিৰ মিলনভূমিত বাগিচাসমূহত এক অপূৰ্ব মিশ্ৰিত সংস্কৃতিৰ উদ্ভৱ হৈছে।

২) চাহ জনজাতিলোকসকলৰ ধৰ্মীয় ৰীতি-নীতিৰ ক্ষেত্ৰত বৈচিত্ৰতা লক্ষণীয়।

৩) চাহ জনজাতি লোকসকলে বছৰটোৰ বিভিন্ন ঋতু অনুসৰি ভিন ভিন দেৱ-দেৱীৰ পূজা-অৰ্চনা কৰা দেখা যায়।

৪) ব্ৰিটিছে অসমত ব্যৱসায়িক লাভালাভৰ উদ্দেশ্যে চাহ-জনগোষ্ঠীলোকসকলক জনসমাজৰ পৰা নিলগতহে চাহ বাগানবোৰ স্থাপন কৰিছিল আৰু চাহ বাগানৰ আশে-পাশেই ইয়াত কাম কৰা বনুৱাবোৰক থাকিবলৈ আৱাসৰ সুবিধা কৰি দিছিল বাবেই বৰ্তমান সময়তো বাগান, কলঘৰৰ মাজতেই জীৱন সীমাৱদ্ধ হৈ থকা দেখা যায়।

## সামৰণি

প্ৰাকৃতিক সম্পদেৰে পৰিপূৰ্ণ ভাৰতবৰ্ষৰ অন্যতম সমাজশ্ৰেষ্ঠ ৰাজ্যখনেই হ'ল অসম ৰাজ্য। অসম ৰাজ্যত অসমীয়া সমাজ গঢ়ি তোলাত অসমৰ অন্যান্য জনগোষ্ঠীৰ দৰেই চাহ জনগোষ্ঠীও অন্যতম। অসমীয়া সমাজ সংস্কৃতিত চাহ জনগোষ্ঠীয় কৃষ্টি সংস্কৃতি আৰু পৰম্পৰা অতি বৈচিত্ৰময় যি অসমীয়া সমাজত সোণৰ অসম গঢ়াত অৱদান আগবঢ়াইছে। অসমত বিহু আৰু বিহুগীত বুলি ক'লে যিদৰে প্ৰতিজন অসমীয়াৰ মন-প্ৰাণ উতলা কৰে। সেই একেদৰে চাহ জনগোষ্ঠীয় লোকসকলৰো ঝুমইৰ নৃত্য আৰু ঝুমইৰ গীত বুলি ক'লে কৰম পূজা বা সহঁৰাই গীতৰ কথা ক'লে অন্তৰত আনন্দৰ জোঁৱাৰ উঠে। চাহ জনগোষ্ঠীসকলে বছৰৰ প্ৰত্যেক ঋতুতে কিবা নহয় কিবা এটা দেৱ-দেৱীৰ পূজা অৰ্চনা কৰা পৰিলক্ষিত হয়। এই উৎসৱসমূহ তেওঁলোকে বিভিন্ন ধৰণৰ ৰীতি-নীতিৰ মাজেদি উদ্‌যাপন কৰে আৰু বিভিন্ন ধৰণৰ সাজ-পাৰ, বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰা দেখা যায়। এইক্ষেত্ৰত ক্ষেত্ৰক্ষিত্তিক অধ্যয়নৰ যোগেদি এই গৱেষণাপত্ৰত আলোচনা কৰা হৈছে।

# পৰিশিষ্ট

## ক) সংবাদদাতাৰ পৰিচয়

১) পুনেশ্বৰ কুৰ্মী (৩৮) ঃ বৰএৰা গাঁও, যোৰহাট জিলা।
২) প্ৰৱীন কুৰ্মী (৪২) ঃ বাগৰদিয়া চাহ-জনগোষ্ঠীয় গাঁও, যোৰহাট জিলা।
৩) চেনীৰাম ওৰাং (৪৯) ঃ দাঙধৰা চাহ-জনগোষ্ঠীয় গাঁও, যোৰহাট জিলা।
৪) সঞ্জীৱ যাদৱ (৩০) ঃ গোবিন্দপুৰ চাহবাগিচা, যোৰহাট জিলা।
৫) বালা তাছা (৪২) ঃ বোকাহোলা চাহবাগিচা, যোৰহাট জিলা।
৬) আগস্তি উৰিয়া (৬২) ঃ বোকাহোলা চাহবাগিচা, যোৰহাট জিলা।
৭) বিশ্বকা উৰিয়া (২৭) ঃ বোকাহোলা চাহবাগিচা, যোৰহাট জিলা।
৮) প্ৰতিমা কালিন্দী (২৫) ঃ মাধপুৰ চাহবাগিচা, যোৰহাট জিলা।
৯) অসুক ভূএঞা (৪৮) ঃ গোবিন্দপুৰ চাহবাগিচা, যোৰহাট জিলা।
১০) মণিকা ভূএঞা (৪২) ঃ গোবিন্দপুৰ চাহবাগিচা, যোৰহাট জিলা।
১১) শ্ৰৱণ বাক্তি (৪০) ঃ ডফলাটিং চাহবাগিচা, যোৰহাট জিলা।
১২) সাৱিত্ৰী বাক্তি (২৩) ঃ গোবিন্দপুৰ চাহবাগিচা, যোৰহাট জিলা।
১৩) ৰীতা বাক্তি (৩৪) ঃ গোবিন্দপুৰ চাহবাগিচা, যোৰহাট জিলা।
১৪) ৰাজবলা কালিন্দী(৬০)ঃ মাধপুৰ চাহবাগিচা, যোৰহাট জিলা।
১৫) পুতলী কুৰ্মী (৪৫) ঃ মেজেঙ্গা চাহবাগিচা, যোৰহাট জিলা।
১৬) প্ৰশান্ত কুৰ্মী (২৬) ঃ মেজেঙ্গা চাহবাগিচা, যোৰহাট জিলা।
১৭) অমৃত কালিন্দী (২৭) ঃ মাধপুৰ চাহবাগিচা, যোৰহাট জিলা।

## গ) সহায়ক গ্ৰন্থপঞ্জী


কুৰ্মী, সুশীল ঃ চাহ বাগিচাৰ জীৱন আৰু সংস্কৃতি।

কুৰ্মী, গণেশ চন্দ্ৰ ঃ চাহ জনগোষ্ঠী লোক সংস্কৃতিত এক ঝলক।

ঘাটোৱাৰ, নাৰায়ণ ঃ বনুৱাৰ সাংস্কৃতিক জীৱনত এভুমুকি।

তাছা, প্ৰহ্লাদ চন্দ্ৰ ঃ চাহ শ্ৰমিক সংস্কৃতিৰ ৰূপৰেখা, ঝুমুইৰ নৃত্য-গীত।

তাছা, দেউৰাম ঃ চাহ বাগিচাৰ পূজা-পৰ্ব।

দাস, প্ৰমোদ চন্দ্ৰ ঃ অসমৰ সংস্কৃতি জিজ্ঞাসা।

নাগবংশী, প্ৰসাদ ঃ মুকুত স্মৃতিগ্ৰন্থ।

বৰুৱা, বিৰিঞ্চি কুমাৰ ঃ অসমৰ লোক সংস্কৃতি।

বৰগোহাঞি, যতীন্দ্ৰ কুমাৰ ঃ অসমৰ উৎসৱ আৰু পূজা।